# 2017

## ECONOMICS

( General )

Paper : 6.2

## ( Planning and Development in India )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Mention one basic feature of Indian economy.

ভাৰতীয় অৰ্থনীতিৰ এটা মূল বৈশিষ্ট্য উল্লেখ কৰা।

(b) Write the full form of FPI.

FPI-ৰ পূৰ্ণ ৰূপটো লিখা।

(c) What is the meaning of economic liberalization?

অৰ্থনৈতিক উদাৰীকৰণৰ অৰ্থ কি?

*(d)* Why is Indian economic planning called democratic planning?

ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাক কিয় গণতান্ত্ৰিক পৰিকল্পনা বোলা হয়?

*(e)* In which year was the Twelfth Five-Year Plan introduced in India?

কোন চনত ভাৰতত দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হৈছিল?

*(f)* State any one achievement of Indian economic planning.

ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাৰ যি কোনো এটা সফলতা উল্লেখ কৰা।

*(g)* Mention one demerit of decentralized planning.

বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ এটা দুৰ্বলতা উল্লেখ কৰা।

*(h)* Write one function of North-Eastern Council.

উত্তৰ-পূৱ পৰিষদৰ এটা কাৰ্য লিখা।

*(i)* State one weakness of the poverty alleviation programmes undertaken by the Government of India.

ভাৰত চৰকাৰে দৰিদ্ৰতা দূৰীকৰণৰ উদ্দেশ্যে গ্ৰহণ কৰা আঁচনিবোৰৰ এটা দুৰ্বলতা উল্লেখ কৰা।





*(j)* Mention one objective of Indira Awaas Yojana.

ইন্দিৰা আৱাস যোজনাৰ এটা উদ্দেশ্য লিখা।

**2.** Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* State any two basic features of a developing economy.

উন্নয়নশীল অৰ্থনীতি এখনৰ যি কোনো দুটা প্ৰধান বৈশিষ্ট্য লিখা।

*(b)* Mention any two long-term objectives of India's Five-Year Plan.

ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যি কোনো দুটা দীৰ্ঘকালীন উদ্দেশ্য উল্লেখ কৰা।

*(c)* Give the meaning of democratic planning.

গণতান্ত্ৰিক পৰিকল্পনাৰ অৰ্থ লিখা।

*(d)* State two important features of economic globalization policy of India.

ভাৰতৰ অৰ্থনৈতিক গোলকীকৰণ নীতিৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰা।

*(e)* Write any two achievements of the North-Eastern Council in the economic development of Assam.

অসমৰ অৰ্থনৈতিক উন্নয়নত উত্তৰ-পূৱ পৰিষদৰ যি কোনো দুটা সফলতা লিখা।

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Why is Indian economy considered as mixed economy?

ভাৰতীয় অৰ্থনীতিক কিয় মিশ্ৰ অৰ্থনীতি বুলি কোৱা হয়?

(b) Briefly state the role of NEC in economic development of N-E India.

উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়নত উত্তৰ-পূৰ্ব পৰিষদৰ ভূমিকা চমুকৈ বৰ্ণনা কৰা।

(c) In the context of economic liberalization in Indian economy, do you think that the importance of Five-Year Plans has declined? Give reasons in support of your answer.

ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণৰ পৰিপ্ৰেক্ষিতত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ গুৰুত্ব হ্ৰাস পোৱা বুলি তুমি ভাবানে? তোমাৰ উত্তৰৰ সমৰ্থনত যুক্তি দিয়া।

(d) Suggest any five measures for the success of decentralized planning in Assam.

অসমৰ বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ সফলতাৰ কাৰণে যি কোনো পাঁচটা পৰামৰ্শ আগবঢ়োৱা।

(e) Write a note on India's 'look-east policy'.

ভাৰতৰ 'পূৰলৈ চোৱা নীতি'ৰ বিষয়ে এটি টোকা লিখা।





(f) Point out any five areas of failure of India's Five-Year Plans.

ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যি কোনো পাঁচটা বিফলতা আঙুলিয়াই দিয়া।

4. Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Explain the basic features and consequences of economic globalization in India.

ভাৰতৰ অৰ্থনৈতিক গোলকীকৰণৰ প্ৰধান বৈশিষ্ট্যসমূহ আৰু ফলাফলবোৰ ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss the broad strategies and goals of Indian planning adopted during post-liberalized period.

ভাৰতৰ উদাৰীকৰণৰ পৰৱৰ্তী সময়ছোৱাত অৰ্থনৈতিক পৰিকল্পনাৰ বাবে গ্ৰহণ কৰা বিস্তৃত কৌশল আৰু উদ্দেশ্যসমূহ আলোচনা কৰা।

(b) Discuss about the present composition of foreign trade in India.

সাম্প্ৰতিক কালত ভাৰতৰ বৈদেশিক বাণিজ্যৰ গঠন সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

What do you mean by FDI? Explain the role of FDI in the economic development of India.

প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ মানে কি বুজা? ভাৰতীয় অৰ্থনীতিত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ ভূমিকা ব্যাখ্যা কৰা।

(c) Define economic planning. Discuss the rationale of economic planning in the economic development of India.

অৰ্থনৈতিক পৰিকল্পনাৰ সংজ্ঞা দিয়া। ভাৰতৰ অৰ্থনৈতিক উন্নয়নত অৰ্থনৈতিক পৰিকল্পনাৰ যুক্তিযুক্ততা আলোচনা কৰা।

*Or / অথবা*

Write an essay on 'NITI Aayog'.

'নিটী আয়োগ'ৰ ওপৰত এখনি ৰচনা লিখা।

(d) Give the full form of MGNREGA. Explain the problems for successful implementation of MGNREGA.

MGNREGA-ৰ পূৰ্ণ ৰূপটো লিখা। MGNREGA-ৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহ ব্যাখ্যা কৰা।





*Or / অথবা*

Justify the need for poverty alleviation programme for India. Give your suggestions for successful implementation of poverty alleviation programmes adopted in India.

ভাৰতৰ বাবে দৰিদ্ৰতা দূৰীকৰণ আঁচনি গ্ৰহণৰ প্ৰয়োজনীয়তাৰ সপক্ষে যুক্তি দিয়া। ভাৰতৰ দৰিদ্ৰতা দূৰীকৰণ আঁচনিসমূহ সফল ৰূপায়ণৰ বাবে তোমাৰ পৰামৰ্শ আগবঢ়োৱা।

★★★